জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৮৭/২০২৩

# ৰহাত জোঙাল বলহু দিৱসৰ মুকলি সভাত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## তিৱা ৰাজকীয় শাসন ব্যৱস্থা অসমৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায় ঃ মুখ্যমন্ত্ৰী

## জোঙাল বলহু পৰ্যটন ক্ষেত্ৰৰ নিৰ্মাণকাৰ্যৰ ভূমিপূজন মুখ্যমন্ত্ৰীৰ

## এটা জাতিৰ জীয়াই থকাৰ মানদণ্ড হৈছে সংস্কৃতি, ধৰ্ম, লোককলা, লোকনৃত্য, ভাষা আৰু ঐতিহ্য ঃ মুখ্যমন্ত্ৰী

### জোঙাল বলহু পৰ্যটন ক্ষেত্ৰত প্ৰতি বছৰে পৰ্যটন মেলা আয়োজনৰ আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৩ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শৌৰ্য-বীৰ্য আৰু পৰাক্ৰমেৰে অসমৰ ইতিহাস সমৃদ্ধ কৰা বীৰসকলৰ অন্যতম তিৱা জনগোষ্ঠীৰ ৰজা জোঙাল বলহুৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে আজি নগাঁও জিলাৰ ৰহাস্থিত জোঙাল বলহু পৰ্যটন ক্ষেত্ৰৰ নিৰ্মাণ কাৰ্যৰ ভূমি পূজন কৰে। তেওঁ লগতে তিৱা স্বায়ত্ত শাসিত পৰিষদৰ পৃষ্ঠপোষকতাত সদৌ তিৱা ছাত্ৰ সন্থা, সদৌ তিৱা মহিলা সন্থা, তিৱা সাংস্কৃতিক সমাজৰ উদ্যোগত আৰু তিৱা ৰজা বীৰ জোঙাল বলহু দিৱস উদ্‌যাপন সমিতিৰ সহযোগত জোঙাল বলহু ক্ষেত্ৰত আয়োজিত তিৱা ৰজা বীৰ জোঙাল বলহু দিৱসৰ মুকলি সভাতো অংশগ্ৰহণ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমীয়া জাতিসত্বা নিৰ্মাণত অসমৰ নৃগোষ্ঠীয় জনগোষ্ঠীসমূহৰ লোক পৰম্পৰা, সাংস্কৃতিক জীৱনশৈলী আৰু তেওঁলোকৰ সম্পদৰাজিয়ে গুৰুত্বপূৰ্ণ অৰিহণা যোগাই আহিছে। এই জনগোষ্ঠীসমূহৰ ৰাজকীয় শাসন ব্যৱস্থা, জনমুখী সেৱা আৰু আন জনহিতকৰ ব্যৱস্থাৰাজিয়ে একো একোটা জনগোষ্ঠীৰ উত্তৰণৰো মাপকাঠি হৈ পৰিছিল। সেই দিশৰ পৰা তিৱা ৰাজকীয় শাসন ব্যৱস্থা অসমৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। তিৱা ৰজাসকলৰ অন্যতম ৰজা জোঙাল বলহুৱে ৰাজকীয় শাসন ব্যৱস্থাৰে জনগোষ্ঠীটোৰ আৰ্থ-সামাজিক আৰু আধ্যাত্মিক জীৱনধাৰাৰ যি পৰিৱৰ্তন সাধন কৰিছিল তাৰ দ্বাৰা কেৱল এই জনগোষ্ঠীয়েই নহয়, সামগ্ৰিকভাৱে সমগ্ৰ ৰাজ্যখনে এক নতুন প্ৰেৰণাৰে আগবাঢ়ি যাবলৈ সক্ষম হৈছে বুলি তেওঁ কয়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ বাৰেৰহনীয়া সমাজ জীৱনৰ অন্যতম অংগ হৈছে অপূৰ্ব সাংস্কৃতিক জীৱনশৈলীৰে সমৃদ্ধ তিৱা জনগোষ্ঠী। অসমৰ জনজাতীয় লোকসকলক লগত লৈ এখন বৰঅসমৰ নিৰ্মাণৰ কল্পনা কৰা হৈছে। তেওঁ কয় যে এটা জাতিৰ জীয়াই থকাৰ মানদণ্ড হৈছে

সংস্কৃতি, ধৰ্ম, লোককলা, লোকনৃত্য, ভাষা আৰু ঐতিহ্য। ইয়াৰ এটাকো বাদ দিলে এটা পূৰ্ণ জাতিৰ পৰিচয় হ'ব নোৱাৰে। তেওঁ তিৱা জনগোষ্ঠীৰ যুৱ প্ৰজন্মক প্ৰলোভনৰ পৰা দূৰত থাকি জাতিটোক জীয়াই ৰখাৰ স্বাৰ্থত কোনেও যাতে ইয়াত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে স্বকীয় পৰম্পৰা, ধৰ্ম, সংস্কৃতি, লোককলা, লোকনৃত্য আদিক খামুচি ধৰি ৰাখিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে আমাক আধুনিকতা লাগে কিন্তু তাৰ বাবে আমি ভৰিৰ তলৰ মাটি কাকো এৰি দিব নোৱাৰো। তেওঁ তিৱা জনগোষ্ঠীৰ নৱ প্ৰজন্মই যিসকলে কৰবাত ধৰ্ম এৰিছে, কৰবাত সংস্কৃতি এৰিছে বা কৰবাত ভাষা এৰিছে তেওঁলোকক উভতি আহি এটা বৃহত্তৰ জাতি জনগোষ্ঠী নিৰ্মাণৰ বাবে আকৌ এবাৰ নিজকে সমৰ্পণ কৰিবলৈ আহ্বান জনায়।

তেওঁ কয় যে ঐতিহাসিক তথ্যৰ পৰা জনা যায় যে তিৱাসকলে মূল প্ৰাচীন গোভা আৰু জয়ন্তীয়া ৰাজ্যক কেন্দ্ৰ কৰি অসমৰ বিভিন্ন ঠাইত সৰু সৰু ৰাজ্য পাতি বসবাস কৰি আহিছিল। ইয়াৰে ঐতিহ্যমণ্ডিত গোভা ৰাজ্যৰ অধীনত সৰু সৰু বাৰখন ৰাজ্য আছিল। সেই ৰাজ্যসমূহক আকৌ ক্ৰমে সাতখন আৰু পাঁচখনকৈ দুটা মূল ভাগত ভাগ কৰা হৈছিল; যিসমূহ সাতোৰজাৰ ৰাজ্য আৰু পাঁচোৰজাৰ ৰাজ্য বুলি কোৱা হয়। এওঁলোকৰে সাতোৰজাই পশ্চিম অঞ্চলত আৰু পাঁচোৰজাই পূবত শাসন চলাইছিল। পশ্চিমৰ সাতোৰজাৰ ৰাজ্যকেইখন হ'ল  তেতেলীয়া, বঘৰা, শুখনাগোগ, তৰানী, কলবাৰী, কুমৈ আৰু ঘগুৱা ৰাজ্য। আনহাতে, পাঁচো ৰজাই শাসন চলোৱা পূবৰ ৰাজ্যকেইখন হ'ল  টোপাকুচি, বাৰপুজীয়া, মিকিৰ গাঁও, ফুপলগুৰি আৰু খাইগড়। আনহাতে, প্ৰাচীন জয়ন্তীয়া ৰজাৰ অধীনৰ তিনিখন শক্তিশালী তিৱা ৰাজ্য হ'ল  নেলী, খোলা আৰু চহৰী ৰাজ্য। ইয়াৰ উপৰি তিৱাসকল আছিল ঐতিহ্যমণ্ডিত ডিমৰীয়া, ডমাল দন্দুৱা, মায়ং আদি ৰাজ্যৰ। তেওঁ কয় যে পুৰুষানুক্ৰমে চলি অহা কিছু ব্যৱস্থাৰাজিয়ে তিৱা বসতিপ্ৰধান অঞ্চলক অধিক সমৃদ্ধ কৰি তুলিছে। এই পৰম্পৰাগত প্ৰথা আৰু উৎসৱসমূহৰ বৈশিষ্ট একক আৰু অনন্য। প্ৰাচীন বিনিময় প্ৰথাক স্বকীয় ঐতিহ্যৰে সমুজ্জ্বল ৰূপত তুলি ধৰা এক লোক উৎসৱ হৈছে জোনবিল মেলা। তেওঁ কয় যে তিৱা ৰজাৰ পৃষ্ঠপোষকতাত আৰম্ভ হোৱা এই মেলা উৎসৱে সম্প্ৰতি এক আনুষ্ঠানিক ৰূপ পৰিগ্ৰহ কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে এই গৰাকী সাহসী যোদ্ধাৰ স্মৃতি যাউতীযুগীয়া কৰিবলৈ নাবাৰ্ডৰ আন্তঃগাঁথনি উন্নয়ন সাহায্যৰ অধীনত জোঙাল বলহু প্ৰত্নতাত্বিক স্থানত জোঙাল বলহু ক্ষেত্ৰ নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই প্ৰকল্পৰ উদ্দেশ্য হৈছে পৰ্যটনকেন্দ্ৰিক সাংস্কৃতিক কেন্দ্ৰৰ জৰিয়তে অঞ্চলটোৰ ইতিহাসৰ সামগ্ৰিক প্ৰদৰ্শনৰ লগতে সামাজিক, বাণিজ্যিক উন্নয়ন তথা তিৱা জনগোষ্ঠীৰ বৈচিত্ৰ্যময় ইতিহাসৰ অধ্যয়ন আৰু প্ৰদৰ্শনৰ সুযোগ সৃষ্টি কৰা। প্ৰায় ৫০ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্পটো ৰূপায়ণ কৰা হ'ব। এই প্ৰকল্পটোত তিৱা সংস্কৃতি চিত্ৰিত কৰা প্ৰৱেশদ্বাৰ, পদপথ, চাইকেল ট্ৰেক, ইলেকট্ৰিক বাগী ট্ৰেক, জলভাগৰ ওপৰত ভাসমান দলং, চাংঘৰ, ডেকা চাং, অতিথি গৃহ, তিৱা যাদুঘৰ, গেলাৰী আৰু ভাস্কৰ্যৰ সৈতে এটা দৰ্শনাৰ্থী কেন্দ্ৰ, ৰংগমঞ্চ, একুৰিয়াম সহ প্ৰদৰ্শনী কেন্দ্ৰ, সন্মিলন কেন্দ্ৰ, পৰ্যটন তথ্য কেন্দ্ৰ আৰু কেফেটেৰীয়াকে ধৰি বহু সুবিধা সন্নিৱিষ্ট কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই পৰ্যটন ক্ষেত্ৰত  তিৱা জনগোষ্ঠীৰ ঐতিহ্য আৰু সংস্কৃতিক উপস্থাপন কৰি এখন উদ্যান নিৰ্মাণৰ বাবে অতিৰিক্ত ১০ বিঘা ভূমি

অধিগ্ৰহণ অথবা ক্ৰয় কৰাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ উপায়ুক্তক কোৱা হৈছে। তদুপৰি জোঙাল বলহু পৰ্যটন ক্ষেত্ৰ সংযোগী পথটো দুই লেনযুক্ত পথলৈ উন্নীত কৰাৰ বাবে প্ৰশাসনক সহযোগিতা আগবঢ়াবলৈ তেওঁ ৰাইজলৈ আহ্বান জনায়। তেওঁ ৰাজ্যৰ পৰ্যটন বিভাগক জোঙাল বলহু পৰ্যটন ক্ষেত্ৰত প্ৰতি বছৰে পৰ্যটন মেলা আয়োজন কৰাৰ লগতে তিৱা জাতীয় সংগঠনসমূহৰ সহযোগত চৰকাৰীভাৱে জোঙাল বলহু দিৱস উদ্‌যাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাই তিৱা জাতিৰ শৌৰ্য-বীৰ্যৰ প্ৰতীক জোঙাল বলহুৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি সশ্ৰদ্ধ প্ৰণিপাত জনাই জোঙাল বলহু পৰ্যটন ক্ষেত্ৰৰ নিৰ্মাণ কাৰ্যৰ ভূমি পূজনেৰে শুভাৰম্ভ কৰে।

আজিৰ এই অনুষ্ঠানত অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী তথা মীন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, বিধায়ক শশীকান্ত দাস, ৰূপক শৰ্মা, জিতু গোস্বামী, ৰমাকান্ত দেউৰী, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, তিৱা স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী তথা প্ৰাক্তন সাংসদ ৰাজেন গোঁহাই, সাহিত্যিক পেন্সনাৰ নীলেশ্বৰ পাটৰ আদিকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**হেঃশঃ**
**৩/১/২০২৩**